জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৫৫১/২০২০

<u>অতিক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগীৰ সৈতে মুখ্যমন্ত্ৰীৰ বৈঠক</u>

# ‘আত্মনিৰ্ভৰ ভাৰত’ অভিযানৰ অধীনত ৰাজ্যৰ ৬৮ হাজাৰ অতিক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগীসকলক লাভান্বিত কৰাৰ বাবে ৰাজ্য চৰকাৰে দৃঢ়তাৰে কাম কৰি আহিছে ঃ মুখ্যমন্ত্ৰী

## উৎপাদন বৃদ্ধিৰ জৰিয়তে উপাৰ্জন বৃদ্ধি কৰিব লাগিব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২০ আগষ্ট ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি ডিব্ৰুগড় জিলাৰ উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত ‘আত্মনিৰ্ভৰ ভাৰত’ অভিযানৰ অধীনত ঋণ লাভ কৰা ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলাৰ অতিক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগী হিতাধিকাৰীসকলৰ সৈতে এক বৈঠকত মিলিত হয়। মুখ্যমন্ত্ৰীয়ে আত্মনিৰ্ভৰ ভাৰত অভিযানৰ হিতাধিকাৰীসকলৰ সৈতে এই উদ্যোগসমূহ পুনৰুজ্জীৱিতকৰণ আৰু আত্মনিৰ্ভৰ অসম নিৰ্মাণৰ ক্ষেত্ৰত তেওঁলোকে আগবঢ়াব পৰা বিভিন্ন বিষয় সম্পৰ্কত আলোচনা কৰে।

বৈঠকত মুখ্যমন্ত্ৰীয়ে কয় যে লক্‌ডাউনৰ ফলত প্ৰভাৱিত হোৱা অৰ্থনীতি পুনৰুদ্ধাৰৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০ লাখ কোটি টকা ব্যয়ৰে আত্মনিৰ্ভৰ ভাৰত অভিযান আৰম্ভ কৰিছে। প্ৰধানমন্ত্ৰীৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই ৰাজ্য চৰকাৰেও ইতিমধ্যে আত্মনিৰ্ভৰ অসম গঢ়ি তোলাৰ নিমিত্তে কৰ্মত নিয়োজিত হৈছে। কেন্দ্ৰীয় চৰকাৰৰ এই ঘোষণাৰ পিছত ৰাজ্যিক পৰ্যায়ৰ বেংকাৰ সকলৰ সৈতে এসপ্তাহৰ ভিতৰত বৈঠক অনুষ্ঠিত কৰি ৰোড মেপ প্ৰস্তুত কৰা হৈছিল। ৰাজ্যখনৰ ৬৮ হাজাৰ অতিক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগে যাতে লাভান্বিত হ'ব পাৰে সেই উদ্দেশ্যৰে চৰকাৰে দৃঢ়তাৰে উদ্যোগ গ্ৰহণ কৰিছে। তেওঁ কয় যে অতিক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগৰ সৰলীকৰণৰ বাবে আত্মনিৰ্ভৰ ভাৰত অভিযানৰ অধীনত ৩ লাখ কোটি টকাৰ পেকেজ ঘোষণা কৰিছে।

উৎপাদন বৃদ্ধি কৰি উপাৰ্জন বৃদ্ধি কৰিব লাগিব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে লক্‌ডাউনৰ সময়ত আমাৰ ৰাজ্যখনে বিভিন্ন ক্ষেত্ৰত উল্লেখনীয় সফলতা দেখুৱাবলৈ সক্ষম হৈছে। এই সময়ছোৱাত অসমৰ কৃষকে শাক-পাচলি বিক্ৰী কৰি ৮৫২ কোটি টকাৰ ব্যৱসায় কৰিববলৈ সক্ষম হৈছে। বিহাৰ, পশ্চিম বংগ, ডুবাই, থিংফু আৰু আন প্ৰদেশ তথা ৰাষ্ট্ৰলৈ ৰাজ্যৰ শাক-পাচলি লক্‌ডাউনৰ সময়ত ৰপ্তানি কৰা হৈছে। মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যৰ ব্যৱসায়ীসকলে মাছ, মাংস, কণী বিক্ৰী কৰি ১৫০ কোটি টকাৰ ব্যৱসায় কৰিছে। ৰাজ্যৰ মাছৰ চাহিদা থলুৱা মাছেৰে পূৰণ হৈছে। তদুপৰি, চুবুৰীয়া ৰাজ্যলৈ অসমৰ মাছ ৰপ্তানি হৈছে। তেওঁ লগতে কয় যে ৰাজ্যৰ ১১০০০ মহিলা আত্ম-সহায়ক গোটে প্ৰায় ৫২ লাখ মাস্ক প্ৰস্তুত কৰি

জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

১১ কোটিৰো অধিক টকাৰ ব্যৱসায় কৰিবলৈ সক্ষম হৈছে। লকডাউনৰ সময়ত আমি যি কাম কৰিলো তাৰ জৰিয়তে আমাৰ এক সুকীয়া পৰিচয় গঢ় লৈ উঠিছে। সেই মানসিকতা পৰৱৰ্তী দিনসমূহতো অব্যাহত ৰাখিব লাগিব। এখন সৰ্বশ্ৰেষ্ঠ ৰাষ্ট্ৰ গঠনৰ বাবে সকলোৱে মিলিত প্ৰচেষ্টাৰে কাম কৰিব লাগিব বুলি মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে অতিক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগীসকলৰ লগত চৰকাৰ আছে আৰু ভৱিষ্যতেও এই উদ্যোগীসকলৰ উত্তৰণৰ বাবে কাম কৰি যাব।

মুখ্যমন্ত্ৰীয়ে কয় যে স্বাধীনতাৰ পিছত প্ৰথমবাৰৰ বাবে দেশৰ অৰ্থনৈতিক অৱস্থা ত্বৰান্বিত কৰাৰ বাবে প্ৰধানমন্ত্ৰীয়ে ২০ লাখ কোটি টকাৰ আৰ্থিক পেকেজ ঘোষণা কৰিছে। তেওঁ কয় যে ৰাজ্যৰ কৃষিখণ্ডৰ আন্তঃগাঁথনি শক্তিশালী কৰিব লাগিব। পৰম্পৰাগত পদ্ধতিৰ সলনি অধিক উৎপাদনৰ লক্ষ্যৰে আধুনিক পদ্ধতি অৱলম্বন কৰিব লাগিব। উল্লেখ্য যে আত্মনিৰ্ভৰ ভাৰত অভিযানৰ অধীনত ডিব্ৰুগড় জিলাৰ ২৪০৩ টা অতিক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগী গোটৰ মাজত ইতিমধ্যে ৯৯ কোটি ৯৮ হাজাৰ টকাৰ ঋণ প্ৰদান কৰা হৈছে।

আজিৰ এই বৈঠকত কেন্দ্ৰীয় খাদ্য সংসাধন দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলী, বিধায়কসকল ক্ৰমে প্ৰশান্ত ফুকন, বিনোদ হাজৰিকা, ঋতুপৰ্ণ বৰুৱা, ডিব্ৰুগড় জিলাৰ উপায়ুক্ত পল্লৱ গোপাল ঝা, আৰক্ষী অধীক্ষক আৰু দুয়োখন জিলাৰ উদ্যোগ আৰু বাণিজ্য বিভাগৰ বিষয়ববীয়াসকল উপস্থিত থাকে।

**সুঃমিঃকঃ / পুঃডেঃ**
**২০/০৮/২০২০**